**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-02-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***
***0000***

১। ভাৰত আৰু ইজৰাইলে আজি সাংস্কৃতিক বিনিময়, ইউপিআই, কৃত্ৰিম বুদ্ধিমত্তা আধাৰিত উন্নত শিক্ষা আদিকে ধৰি কেইবাটাও ক্ষেত্ৰত বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ইজৰাইল ভ্ৰমণত প্ৰযুক্তি, বিশেষকৈ কৃত্ৰিম বুদ্ধিমত্তা, চাইবাৰ সুৰক্ষা, উদ্ভাৱন, গৱেষণা আৰু ষ্টাৰ্টআপ খণ্ডত বিশেষ গুৰুত্ব দিয়া হৈছে।

৩। কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাৎ কৰি কেইবাটাও গুৰত্বপূৰ্ণ ৰে'ল আন্তঃগাঁথনি প্ৰকল্পৰ বিষয়ে আলোচনা কৰে।

৪। চৰকাৰৰ নীতি পৰিকাঠামোত মহিলা নেতৃত্বাধীন বিকাশত অধিক অগ্ৰাধিকাৰ দিয়া হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে প্ৰকাশ কৰিছে।

**আৰু**

৫। আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ চুপাৰ এইটৰ এখন গুৰুত্বপূৰ্ণ খেলত ভাৰত জিম্বাব'ৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০০০০

ভাৰত আৰু ইজৰাইলে আজি সাংস্কৃতিক বিনিময়, ভূ-পদাৰ্থৰ অন্বেষণ, মীন, জলজ কৃষি, ইউপিআই, কৃত্ৰিম বুদ্ধিমত্তা আধাৰিত উন্নত শিক্ষা আদিকে ধৰি কেইবাটাও ক্ষেত্ৰত বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৰ মাজত প্ৰতিনিধি পৰ্যায়ৰ বৈঠকৰ পাছত এই চুক্তিৰ আদান-প্ৰদান কৰা হয়। প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ প্ৰেছ বাৰ্তাত কয় যে ভাৰত আৰু ইজৰাইলে গভীৰ আস্থা, গণতান্ত্ৰিক প্ৰমূল্য আৰু মানৱীয় গুণৰাশিৰ আধাৰত এই বন্ধুত্বপূৰ্ণ সম্বন্ধ গঢ়ি তুলিছে। তেওঁ কয় যে সময়ৰ সৈতে ৰজিতা খুৱাই এই বন্ধুত্বপূৰ্ণ সম্পৰ্ক আগুৱাই গৈ আছে। শ্ৰীমোদীয়ে কয় যে বিশেষ কৌশলগত সহযোগিতাৰে সময়ৰ লগত তাল মিলাই দুয়োপক্ষই এই ঐতিহাসিক সিদ্ধান্ত লৈছে। ৯ বছৰৰ পূৰ্বে শ্ৰীমোদী ইজৰাইল ভ্ৰমণ কৰা প্ৰথমগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰী হিচাপে পৰিগণিত হৈছিল আৰু ঐতিহাসিক ইজৰাইলত পুনৰ ভ্ৰমণ কৰিবলৈ পোৱাটো তেওঁৰ বাবে গৌৰৱৰ ক্ষণ হিচাপে পৰিগণিত হৈছে। তেওঁ কয় যে দুয়োখন দেশে জটিল আৰু উদ্ভাসিত প্ৰযুক্তিৰ ক্ষেত্ৰত সহযোগিতাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে কয় যে কৃত্ৰিম বুদ্ধিমত্তা, কোৱাণ্টাম আৰু জটিল খনিৰ অন্বেষণৰ ক্ষেত্ৰত সহযোগিতাৰ এটা নতুন গতি প্ৰদান কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ইজৰাইলত ইউপিআই প্ৰচলনৰ বাবেও এখন চুক্তি স্বাক্ষৰ কৰা হৈছে। ইজৰাইলৰ প্ৰধানমন্ত্ৰী নেতান্যাহুৱে ভাৰত আৰু ইজৰাইল উদ্ভাৱনৰ দিশত আগুৱাই গৈছে বুলি উল্লেখ কৰে। তেওঁ কয় যে দুয়োখন দেশৰ গৌৰৱপূৰ্ণ প্ৰাচীন সভ্যতা আছে আৰু অতীতক লৈ দুয়োখন দেশে গৌৰৱ অনুভৱ কৰে। ভৱিষ্যৎ উন্নত কৰাৰ বাবে দুয়োখন দেশে একেলগে কাম কৰাৰ বাবে দায়বদ্ধ বুলি বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এইবুলি প্ৰকাশ কৰিছে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ইজৰাইল ভ্ৰমণত প্ৰযুক্তি, বিশেষকৈ কৃত্ৰিম বুদ্ধিমত্তা, চাইবাৰ সুৰক্ষা, উদ্ভাৱন, গৱেষণা আৰু ষ্টাৰ্টআপ খণ্ডত বিশেষ গুৰুত্ব দিয়া হৈছে। প্ৰধানমন্ত্ৰী মোদীৰ ইজৰাইল ভ্ৰমণৰ সামৰণিত জেৰুজালেমত সংবাদ মাধ্যমৰ আগত বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে কয় যে শ্ৰীমোদী আৰু ইজৰাইলৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত থকা যুটীয়া আয়োগক মন্ত্ৰী পৰ্যায়লৈ উন্নীত কৰাৰ বাবে সিদ্ধান্ত লৈছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী মোদীৰ এই ইজৰাইল ভ্ৰমণে দুয়োখন দেশৰ মাজৰ সম্বন্ধৰ ক্ষেত্ৰত এটা উল্লেখযোগ্য মাইলৰ

খুঁটি হিচাপে পৰিগণিত হৈছে। এই ভ্ৰমণে বিগত দশকসমূহত দেশ দুখনৰ মাজৰ সম্বন্ধৰ অগ্ৰগতিক প্ৰতিফলিত কৰিছে আৰু ভৱিষ্যতৰ বাবে গুৰুত্বপূৰ্ণ সহযোগী হিচাপে বিবেচিত হৈছে। শ্ৰীমিশ্ৰীয়ে কয় যে এয়া হৈছে প্ৰধানমন্ত্ৰী মোদীৰ দ্বিতীয় ইজৰাইল ভ্ৰমণ। তেওঁ কয় যে পশ্চিম এছিয়াৰ দেশসমূহৰ সৈতে ভাৰতৰ সম্বন্ধ সুদৃঢ় কৰা আৰু সক্ৰিয়ভাৱে সহযোগিতা অব্যাহত ৰখাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মোদীৰ আগ্ৰহক এই ভ্ৰমণে প্ৰতিফলিত কৰিছে। বিগত বছৰত প্ৰধানমন্ত্ৰী মোদীয়ে কুৱেইট, চৌদি আৰব, জৰ্দান, ওমান ভ্ৰমণ কৰিছিল। ইজৰাইল ভ্ৰমণ কালত প্ৰধানমন্ত্ৰী মোদীক ইজৰাইলৰ সংসদৰ সৰ্বোচ্চ সন্মান **স্পিকাৰ অৱ দা কেনছেট মেডেল** প্ৰদান কৰা হয়। দেশ দুখনৰ মাজৰ কৌশলগত সম্বন্ধ অধিক শক্তিশালী কৰাৰ স্বীকৃতিস্বৰূপে শ্ৰীমোদীক এই সন্মান প্ৰদান কৰা হয়। শ্ৰীমোদী ইজৰাইলৰ এই সন্মান লাভ কৰা প্ৰথমগৰাকী বিদেশী নেতা হিচাপে পৰিগণিত হয়। শ্ৰীমিশ্ৰীয়ে ইয়াৰ পূৰ্বে জানিবলৈ দিয়ে যে প্ৰধানমন্ত্ৰী মোদীয়ে তেল আভিভত ইজৰাইলৰ প্ৰধানমন্ত্ৰীৰ সৈতে একনিষ্ঠভাৱে বাৰ্তালাপ কৰে। জল ব্যৱস্থাপনা, কৃষি, প্ৰযুক্তি আৰু আন খণ্ডত দ্বিপাক্ষিক সম্বন্ধ সুদৃঢ় কৰাৰ ক্ষেত্ৰত দুয়োগৰাকী নেতাই পৰ্যালোচনা কৰে। শ্ৰীমিশ্ৰীয়ে আজি জানিবলৈ দিছে যে প্ৰধানমন্ত্ৰী মোদীয়ে জেৰুজালেমৰ য়াড ৱাছেম পৰিদৰ্শন কৰে। তেওঁ লগতে ইজৰাইলৰ ৰাষ্ট্ৰপতি ইছাক হাৰ্জ’গক সাক্ষাৎ কৰে।

oooooooo

কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি নতুন দিল্লীত ৰে’লমন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাৎ কৰি উত্তৰ-পূব আৰু মধ্য প্ৰদেশৰ সৈতে জড়িত গুৰত্বপূৰ্ণ ৰে’ল আন্তঃগাঁথনি প্ৰকল্পৰ বিষয়ে আলোচনা কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীসিন্ধিয়াই কয় যে তেওঁলোকে দেশৰ লগতে মধ্য প্ৰদেশৰ বিভিন্ন অঞ্চলৰ পৰা গোৱালিয়ৰ, গুনা আৰু চম্বল অঞ্চললৈ প্ৰত্যক্ষ ৰে’ল যোগাযোগ ব্যৱস্থা শক্তিশালী কৰাৰ উদ্দেশ্যে ৰূপায়ণ হোৱা বিভিন্ন প্ৰকল্প সন্দৰ্ভত বিতংভাৱে আলোচনা কৰে। তেওঁ কয় যে চম্বল অঞ্চলত গুৰুত্বপূৰ্ণ ৰে’লগাড়ীসমূহৰ অতিৰিক্ত ষ্টপেজৰ লগতে নতুন ৰে’লগাড়ীৰ প্ৰৱৰ্তন সন্দৰ্ভতো ফলপ্ৰসূ আলোচনা হয়। ইয়াৰ লগতে উত্তৰ-পূব অঞ্চলত যোগাযোগ ব্যৱস্থা উন্নত কৰা আৰু ৰে’ল সেৱা উন্নত কৰা সন্দৰ্ভতো বিতংভাৱে আলোচনা কৰা হয় বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooooooo

কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে কৈছে যে চৰকাৰৰ নীতি পৰিকাঠামোত মহিলা নেতৃত্বাধীন বিকাশত অধিক অগ্ৰাধিকাৰ দিয়া হৈছে। ইয়াৰ অধীনত মহিলাসকলৰ বাবে উন্নত সুযোগ, অৰ্থনৈতিক স্বাৱলম্বিতা আৰু জীৱন ধাৰণৰ মান উন্নত কৰা আদি বিষয়সমূহত অগ্ৰাধিকাৰ দিয়া হৈছে। নতুন দিল্লীত আজি শক্তিশালী নাৰী বিকশিত ভাৰত শীৰ্ষক মহিলা নেতৃত্বাধীন সন্মিলনৰ উদ্বোধনী সত্ৰত ভাষণ দি তেওঁ এই বিষয়ে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে মহিলাসকলক অৰ্থনৈতিকভাৱে শক্তিশালী কৰাৰ লগতে তেওঁলোকৰ আত্মবিশ্বাস বৃদ্ধি কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনা, ষ্টাৰ্টআপ ইণ্ডিয়া আৰু পি এম স্বনিধি উদ্যমৰ লেখিয়া চৰকাৰী বিভিন্ন উদ্যম সন্দৰ্ভত আলোকপাত কৰে।

২০২৬ৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে এইবাৰৰ বাজেটত মহিলাকেন্দ্ৰিক আঁচনিসমূহৰ বাবে প্ৰায় ৫ লাখ কোটি টকাৰ আবণ্টন দিয়া হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে সমগ্ৰ দেশৰ প্ৰায় ১০ কোটি মহিলা বিভিন্ন আত্মসহায়ক গোটৰ সৈতে জড়িত হৈ আছে আৰু ২ কোটিৰো অধিক মহিলা ইতিমধ্যে লাখপতি দিদি হৈছে। ভৱিষ্যতে এই সংখ্যা ৬ কোটিলৈ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে বুলিও তেওঁ কয়। বিজ্ঞান, প্ৰযুক্তি, অভিযান্ত্ৰিক আৰু গণিত চমুকৈ ষ্টেম শিক্ষাত মহিলাৰ অংশগ্ৰহণ প্ৰায় ৪৫ শতাংশ হৈছে বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে এই শিক্ষা গ্ৰহণ কৰা ছাত্ৰীসকলৰ বাবে প্ৰতিখন জিলাতে একোটাকৈ ছাত্ৰীনিবাস স্থাপন কৰাৰ কথা চৰকাৰে ঘোষণা কৰিছে।

ooooooo

জৈৱ-চিকিৎসা গৱেষণাৰ ক্ষেত্ৰত ভৱিষ্যৎ উদ্ভাৱন কেন্দ্ৰ হিচাপে উদ্ভাসিত হোৱাৰ বাবে ভাৰতৰ চিকিৎসা মহাবিদ্যালয়সমূহৰ অপাৰ সম্ভাৱনা আছে বুলি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ৰাজ্যমন্ত্ৰী অনুপ্ৰিয়া পেটেলে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি চিকিৎসা মহাবিদ্যালয়, গৱেষণা, সংযোগ ২০২৬ কাৰ্যসূচীৰ উদ্বোধনী সত্ৰত ভাষণ দি তেওঁ কয় যে এই প্ৰতিষ্ঠানসমূহে ছাত্ৰ-ছাত্ৰীসকলক উন্নত মানৰ গৱেষণাৰ সুবিধা প্ৰদান কৰিব পাৰে। মন্ত্ৰীগৰাকীয়ে কয় যে দুদিনীয়া কাৰ্যসূচীয়ে গৱেষণামূলক কাম-কাজ সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত দিহা পৰামৰ্শ প্ৰদান কৰিব। শ্ৰীমতী পেটেলে চিকিৎসা গৱেষণাক অগ্ৰাধিকাৰ দিয়াৰ বাবে ২০২৬ৰ কেন্দ্ৰীয় বাজেটৰ শলাগ লয়। বিগত কিছু বছৰত দেশৰ স্বাস্থ্য প্ৰতিষ্ঠানসমূহে প্ৰায়

এহেজাৰ ৯০০ গৱেষণা প্ৰকল্প সম্পূৰ্ণ কৰা বুলিও তেওঁ লগতে জানিবলৈ দিয়ে। কৃত্ৰিম বুদ্ধিমত্তা আৰু শেহতীয়া প্ৰযুক্তিৰ ব্যৱহাৰেৰে চিকিৎসা গৱেষণাই স্বাস্থ্য সেৱা খণ্ডক অধিক প্ৰভাৱিত কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। স্বাস্থ্য গৱেষণা বিভাগে আয়োজন কৰা এই দুদিনীয়া কাৰ্যসূচীত দেশৰ ১০০খনৰো অধিক চিকিৎসা মহাবিদ্যালয়ে অংশগ্ৰহণ কৰিছে।

ooooooo

ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভলাডিমিৰ জেলেনস্কিয়ে আজি কৈছে যে ৰাছিয়াই যোৱা নিশা ইউক্ৰেইনত ৪২০খন ড্ৰোণ আৰু ৩৯টা ক্ষেপণাস্ত্ৰৰে আক্ৰমণ চলায়। দেশখনৰ আঠটা প্ৰান্তৰ গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি আৰু আবাসিক অঞ্চলত যোৱা নিশা ১৮টা বেলিষ্টিক ক্ষেপণাস্ত্ৰসহ এই আক্ৰমণ চলোৱা হয়। আক্ৰমণত শিশুকে ধৰি কেইবাগৰাকীও লোক আহত হয়। শ্ৰীজেলেনস্কিয়ে কয় যে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে বাৰ্তালাপ কৰে আৰু ৰাছিয়াৰ সৈতে শান্তি আলোচনাৰ প্ৰয়াস চলোৱা বাবে ধন্যবাদ জনায়।

ooooooo

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত ছুপাৰ এইটৰ এখন গুৰুত্বপূৰ্ণ খেলত ভাৰত জিম্বাব'ৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। জিম্বাব'ৱে টছত জিকি ভাৰতক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনাইছে। আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ২ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ২৩ ৰাণ সংগ্ৰহ কৰিছে।

ইয়াৰ পূৰ্বে আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত দক্ষিণ আফ্ৰিকাই ৱেষ্ট ইণ্ডিজক ৯ উইকেটত পৰাস্ত কৰে। দক্ষিণ আফ্ৰিকাই ১৭৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অভাৰ এটা বলত এটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দলৰ হৈ এইডেন মাৰ্কৰমে সৰ্বাধিক ৮২ আৰু ৰিয়ান ৰিকেল্টনে ৪৫ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে ৱেষ্ট ইণ্ডিজে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১৭৬ ৰান সংগ্ৰহ কৰে।

ooooooooo

সমাপ্ত